আচলতে, বিভেদ-ভাৱ মানুহৰ আদিম প্ৰৱণতাহে। ভাৰত তথা অসমৰ দৰে বহুমাত্ৰিক সমাজ ব্যৱস্থাত ভাষা, সম্প্ৰদায়, ধৰ্ম আদিৰ নামত এনে প্ৰৱণতা বেছি প্ৰকট। প্ৰকৃত গণতান্ত্ৰিক শিক্ষা-ব্যৱস্থাইহে এনে ক্ষেত্ৰত সুষম ফল দিয়ে। এনে পৰিৱেশত আমাৰ বুদ্ধিজীৱীসকলেও সংস্কাৰমুক্ত হোৱাটো কঠিন।

অসম মুলুকত, বৌদ্ধিক কছৰৎ কৰা লোকসকলৰ অৱদান কম নহয়। হলিৰাম ঢেঁকিয়াল ফুকনৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা আৰু কমলাকান্ত ভট্টাচাৰ্য্যলৈকে বুদ্ধিজীৱীসকলে তেতিয়াৰ অনেক সমস্যাৰ প্ৰতি সোচ্চাৰ হৈ পৰিছিল। পিছৰ চামৰ অনেকে বৃটিছৰ পক্ষ লৈছিল, আনটো চামে 'বঙ্গিনী বঙ্গালীক সঙ্গীনী' কৰি লোৱাৰ মনোভাৱ পোষণ কৰিছিল। কিন্তু সাতে-সোতৰই নিজৰ আ-ঐতিহ্যৰ প্ৰতি তীব্ৰভাৱে আকৰ্ষিত হৈ পৰিছিল। তথাপি, যিহেতু অসমীয়া সমাজ ব্যৱস্থা গাঙ্গেয় সভ্যতাৰ ভিত্তিত গঢ়ি তোলাৰ প্ৰচেষ্টা আছিল, সেয়ে অন্য মঙ্গলয়ড অষ্ট্ৰ-এছিয়াটিক প্ৰজাতিৰ অনেক মধ্যবিত্ত তথা বুদ্ধিজীৱী লোকে এই ক্ষেত্ৰত সহযাত্ৰী হ'ব পৰা নাছিল আৰু কুৰি শতিকাৰ প্ৰায় সত্তৰ দশকত এনে ভেদ-ভাৱ প্ৰকট হৈ পৰিল। এনে পৰিণাম মতে, বৰ অসম বহুধা-বিভক্ত হৈ পৰিল। এনে পৰিপ্ৰেক্ষিতত, বৌদ্ধিক মহলত কিছু খলকনিৰ সৃষ্টি হৈছে। তাৰে এটা দৃষ্টান্ত হৈছে এনে ধৰণৰ : "...... যোৱা ২৮ নৱেম্বৰ, ১৯৯৪ ইং তাৰিখে Directorate of State Museum ৰ সৌজন্যত অনুষ্ঠিত সত্ৰ সম্পৰ্কীয় আলোচনা চক্ৰত সভাপতিত্ব কৰি ড° সত্যেন্দ্ৰ নাথ শৰ্মাই কয় যে সংশ্লিষ্ট কৰ্তৃপক্ষই সত্ৰসমূহক উপযুক্তভাৱে সংৰক্ষণ নকৰিলে অসমীয়া সংস্কৃতি বিপদাপন্ন হৈ পৰিব।" (বাতৰি - The Sentinal, 29 Nov. 1994)। এতিয়া প্ৰশ্ন আহে, মঙ্গলয়ড প্ৰজাতিৰ লোকসকলৰ সকলো গাঁওতে সত্ৰ নাই, তেওঁলোক অসমীয়াৰ আওঁতাত নপৰে নেকি? এনে অপৰিহাৰ্য কাৰণতে, পিছলৈ সৰ্বত্ৰ সংকট আহিল ঃ অসমীয়া স্বায়ত্ব শাসিত পৰিষদৰ দাবী উঠিল, জনগোষ্ঠীয় উত্থান হ'ল, ছয় জনগোষ্ঠীৰ উপৰিও নাথ-যোগী আৰু কলিতাসকলৰ মাজত জনজাতিকৰণৰ দাবী উঠিল, আৰু কাইলৈ 'অ-বড়ো', 'অ-ৰাভা'ৰ ষ্টাইলত 'অ-অসমীয়া সুৰক্ষা সমিতি' গঠন হ'লে আচৰিত হ'ব লগীয়া একো নাথাকিবগৈ।

মুঠতে, এচাম মানুহৰ অহমিকাৰ বাবে সৰ্বত্ৰ সংকটৰ সৃষ্টি হৈ পৰে। দেশ-কাল-মাতৃকাৰ বাবে সমূহীয়া স্বাৰ্থ আমাৰ নাই, সিবিলাকৰ প্ৰতি আমি যেন বীতশ্ৰদ্ধ, নিস্পৃহ। আজি অসমত দেখ দেখকৈ অনেক সমস্যাই গা কৰি উঠিছে — নিবনুৱা সমস্যা, সীমা বিবাদ, ভাষা-নীতিৰ সমস্যা, জনগোষ্ঠীয় সমস্যা, বহিৰাগত সমস্যা, বানপানীৰ সমস্যা ইত্যাদি। এনেবোৰ সা-সমস্যাৰ প্ৰতি বুদ্ধিজীৱীসকলে বৌদ্ধিক কছৰৎ কৰিব লাগিব। সকলোৱে সহমৰ্মিতাতহে সমস্যাসমূহৰ আপেক্ষিক সমাধান কৰিব পাৰি। তাকে নকৰি, অসমত এজনো বুদ্ধিজীৱী নাই, এনে ধৰণৰ মন্তব্য দিয়াটো অগণতান্ত্ৰিক। আনহাতে, অসমত বুদ্ধিজীৱীৰ লেবেল লগাই, খেয়াল-খুচিমতে 'কাক ভোট দিব লাগে', এনে ৰায়দান কৰাও অগণতান্ত্ৰিক। বিবেক-বিবেচনা জনসাধাৰণৰ নিজস্ব সম্পদ, ইয়াক একমুখী কৰাটোক জনমত গঠন কৰা নুবুজায়। কাৰণ, জাঁ পল ছাত্ৰেৰ মতে —"নিষ্ঠাৰ পৰিচয় কামতহে, কথাত নহয়।"

অৱশেষত, এটা কথা স্পষ্টকৈ কোৱাৰ প্ৰয়োজন যে এজন ব্যক্তিয়ে নিজৰ বৃত্তিগত দক্ষতালৈ পিঠি দি সকলো ক্ষেত্ৰত মতামত দিয়াটো যেনে হাস্যকৰ, তদ্ৰূপ বিপদৰ সময়ত সুবিধাবাদী নীৰৱতা অৱলম্বন কৰাটোও নীতিবিৰুদ্ধ। প্ৰগতিশীল বুদ্ধিজীৱীয়ে নিজৰ আয়ত্বাধীন বিষয়-বস্তু তথা বৃত্তিগত ক্ষেত্ৰত বৌদ্ধিক কছৰৎ কৰিব পাৰে, নতুন মাত্ৰা দিব পাৰে। কাৰণ Alburt Camus ৰবক্তব্য মতে— ".... An intellectual is sameone whose mind watches itself ...."

---

# সাঁথৰ

ক) লোৰ দামুৰি, লোৰ গাই যিমানেই খীৰায়, সিমানেই পায়।

ঃ দমকল

খ) এক মোন চুপাৰি, গণিব নোৱাৰে বেপাৰী।

ঃ তৰা।

গ) চাৰিটা বস্তুৰ চাৰিটা ৰং, মুখত দিলে হয় এটা ৰং

ঃ তামোল, পাণ, চুন, চাধা।

ঘ) ভোঁ ভোঁ কৰে ভোঁমোৰা নহয়, লগুণ পিন্ধে বামুণ নহয়।

ঃ যতঁৰ।

ঙ) তিনিটা আখৰেৰে জন্তুৰ নাম গঠিত, প্ৰথমটো মচিলে ছোৱালীৰ নাম আৰু শেষৰটো মচিলে হয় ল'ৰাৰ, এইটো কি বস্তু কোৱাচোন ভাই।

ঃ হৰিণা।

**দীপ দাস**

স্নাতক, তৃতীয় ষান্মাসিক (কলা শাখা)

# আনন্দময় জীৱন লাভৰ শ্ৰেষ্ঠ পথ ঃ ৰাজযোগ

**ৰমাকান্ত ৰাভা**
পৰীক্ষাগাৰ কৰ্মচাৰী,
উদ্ভিদ বিজ্ঞান বিভাগ

ব্যক্তিগত জীৱন, পৰিবাৰ আৰু সমাজত সুস্থ বাতাবৰণ থকাটো প্ৰত্যেক মানুহে বিচৰা স্বাভাৱিক। সংগ্ৰাম কৰাৰ সামৰ্থ্য আৰু সহকৰ্মীৰ লগত মিলিজুলি থাকি নিজৰ দায়িত্ব সম্পূৰ্ণ কৰাৰ মানসিকতাই জীৱনত আনন্দ প্ৰদান কৰে। কিন্তু নিবিচৰাকৈও মানুহে বহুবাৰ উদ্বেগজনক পৰিস্থিতিৰ মুখামুখি হ'ব লগা হয়। এনেকুৱা পৰিস্থিতিৰ পৰা নিজকে বচাই ৰাখিবৰ কাৰণে আমি বাৰু কি কৰা উচিত? ইয়াৰ সমাধানৰ প্ৰথমটো উপায় হ'ল, অসুস্থ পৰিস্থিতিৰ পৰিৱৰ্তন কৰা, দ্বিতীয়টো উপায় হ'ল বিদ্বেষী ব্যক্তিজনক পৰিবৰ্তিত কৰা আৰু তৃতীয়টো উপায় হ'ল নিজক পৰিবৰ্ত্তিত কৰা। এতিয়া কথা হ'ল এই তিনিটাৰ ভিতৰত কোনটো উপায় অৱলম্বন কৰাটো আমাৰ বাবে সাধ্য? প্ৰকৃততে নিজৰ পৰিবৰ্তন সাধন কৰাৰ উপায়টোহে আমাৰ হাতত আছে। কোৱা হয় যে আমাৰ নিজৰ পৰিবৰ্তন হ'লেহে সকলোৰে পৰিবৰ্তন হ'ব। 'যাৰ যেনেকুৱা দৃষ্টি তাৰ তেনেকুৱাই সৃষ্টি'। যদি আমি জীৱনটো সন্তোষেৰে থাকিম বুলি সংকল্প লও, তেতিয়া কাৰো সাহস নাই যে আমাক অপ্ৰসন্ন কৰিব আৰু যদি অনবৰত ৰুষ্ট হৈ থকাৰ সিদ্ধান্ত লও, তেতিয়া আমাক কোনেও প্ৰসন্নতা দিব নোৱাৰে। হৈ যোৱা ঘটনাবোৰৰ বিষয়ে চিন্তা নকৰি বৰ্তমান সময়ৰ ভাল মুহূৰ্তবোৰৰ সুযোগ লৈ ইয়াৰ সৎ ব্যৱহাৰ কৰিলে আমাৰ মনৰ আনন্দ বাঢ়ি গৈ থাকিব আৰু ভৱিষ্যতে কোনো প্ৰতিযোগিতা বা যুঁজত জয়ী হোৱাৰ বাবে মনোবল পাব পৰা যাব। পৰিস্থিতিৰ দোষৰ কথা চিন্তা কৰি থাকিলে কেতিয়াও সমাধানৰ পথ নোলায়। কিন্তু নাটকৰ দৃশ্যসমূহ চোৱাৰ দৰে কুপৰিস্থিতিসমূহ যদি ক্ষণিকৰ বাবে চোৱা যায় তেতিয়া কুপৰিস্থিতিৰ পৰা মানসিকভাৱে ওলাই অহাৰ পথ পোৱা যায়।

আনন্দ লাভ কৰাৰ বাবে আৰু এটা সুন্দৰ কৌশল আছে। আমি আশীৰ্বাদ লভাৰ এখনি 'ৰেজিষ্টাৰ' বা 'খাতা' খুলিব পাৰো। ভিন্ন স্বভাৱ, ভিন্ন পৰিয়াল আৰু ভিন্ন সংস্কৃতিৰ মানুহৰ লগত থাকিও নিজৰ শ্ৰেষ্ঠ ব্যৱহাৰৰ দ্বাৰা তেওঁলোকক সন্তুষ্ট কৰিব পাৰিলে মানুহৰ আশীৰ্বাদ লাভৰ পাত্ৰ হ'ব পাৰি। পাৰিবাৰিক ক্ষেত্ৰত নিজৰ প্ৰভাৱ বিস্তাৰৰ বাবে অনুসৰণ কৰিব লগীয়া মুখ্য তিনিটা কথা আছে, সেয়া হ'ল — ভাৱ, ভাৱনা আৰু কামনা। আনৰ প্ৰতি ক্ষমাভাৱ, শুভ ভাৱনা, শুভ কামনা নিজৰ মনত ধাৰণ কৰিব পাৰিলেই প্ৰত্যেকৰে নিজৰ ব্যৱহাৰত শ্ৰেষ্ঠতা আহি যাব। ইয়াৰ বাবে প্ৰয়োজনীয় কথাটো হৈছে — প্ৰত্যেক ব্যক্তিয়ে আত্মসন্মান বজাই ৰখাৰ লগতে আনৰ প্ৰতি আত্মীয়তাৰ ভাৱ অক্ষুন্ন ৰখা উচিত।

আজিৰ মানৱৰ পৰস্পৰৰ প্ৰতি কেৱল স্বাৰ্থৰ ভাৱনা তথা কামনা বাঢ়ি গৈ থকা দেখা যায়। মানুহে প্ৰকৃততে সেই কামনাক শুভ কামনালৈ পৰিৱৰ্তন কৰাৰ ক্ষমতা অৰ্জন কৰিব পাৰিব লাগে



নাই বা পাৰিবাৰিক ক্ষেত্ৰত নিজৰ সকলো ভাৱনাক নিষ্কাম সেৱাভাৱলৈ পৰিবৰ্ত্তিত কৰিব পাৰিব লাগে।

হিংসা আৰু শত্ৰুতাই মানুহৰ মন সম্পূৰ্ণৰূপে ৰুগীয়া কৰি পেলায়। আমি সকলোৱে সমস্যাৰ কথা চিন্তা নকৰি আনন্দময় পৰিৱেশত নিজকে বিলীন কৰি দিবলৈ চেষ্টাশীল হোৱা উচিত। আমি নিজে সন্তুষ্ট থাকি আৰু আনকো সন্তুষ্ট কৰি সমস্ত জগতত সন্তুষ্টি বিলাবলৈ যত্ন কৰিব লাগে। ত্যাগতেই ভাগ্য সোমাই আছে।

আজি কালি সকলো মানুহ, কিশোৰৰ পৰা বুঢ়ালৈকে, জীৱনত বহুতো দুশ্চিন্তা আৰু উত্তেজনাত ভোগা দেখা যায়। পিতৃ-মাতৃ দুয়ো চাকৰিয়াল হ'লে সন্তানক দুই তিনি বছৰ বয়সতে স্কুলত নাম ভৰ্তি কৰোৱাৰ মনোভাৱত ভোগা দেখা যায়। ফলত তেনে সন্তানবোৰে পিতৃ-মাতৃৰ স্বাভাৱিক মৰম নাপায়। তেনে পিতৃ-মাতৃসকলে সন্তানক জোৰকৈ পঢ়িব নোৱাৰা বিষয়বোৰ জাপি দি ভৱিষ্যতে ডাঙৰ মানুহ কৰি গঢ়িতোলাৰ সপোন দেখে আৰু নিজৰ সন্তানৰ প্ৰকৃত মানসিক অৱস্থাৰ বুজ লোৱাৰ প্ৰয়োজন অনুভৱ নকৰে। তেওঁলোকে নিজেও অসন্তুষ্ট হয় আৰু সন্তান সকলকো অভিমানী তথা অসন্তুষ্ট কৰি গঢ়ি তোলে।

যদি আমি জীৱনৰ সমস্যাসমূহ এৰাই চলিব বিচাৰো তেতিয়াহ'লে আমি নিজৰ মনৰ স্থিতিক শ্ৰেষ্ঠ বনাবই লাগিব। মানুহৰ মনৰ বিকৃতি আৰু উপেক্ষাই জীৱনত সমস্যাৰ সৃষ্টি কৰে। ৰাজযোগৰ দ্বাৰা মনৰ শ্ৰেষ্ঠ স্থিতি প্ৰাপ্ত কৰিব পাৰি। ৰাজযোগৰ দ্বাৰাই মানৱৰ আত্মাই পৰমাত্মা ভগৱানক সাক্ষাত কৰিব পাৰে। পৰম পিতা পৰমাত্মাক লগ পোৱাৰ তাড়নাত মানুহৰ মনৰ পবিত্ৰতা আৰু শক্তি বাঢ়ি যায়। মন নিয়ন্ত্ৰিত হৈ যায়। বিভিন্ন পৰিস্থিতিত বুদ্ধিৰ উচিত ব্যৱহাৰ কৰিব পৰা হৈ যায়। ফলস্বৰূপে জীৱন শান্ত, সৰল আৰু আনন্দময় হৈ দুৰ্ভাৱনা মুক্ত হয়। ৰাজযোগৰ দ্বাৰা আনৰ প্ৰতি থকা দৃষ্টিৰ পৰিবৰ্তন হৈ যায় আৰু সম্বন্ধত মধুৰতা বৃদ্ধি পায়। ৰাজযোগ কেৱল আত্মাৰ মুক্তি মাৰ্গেই নহয়, ই জীৱনত জীয়াই থকাৰ বাবে মানুহক প্ৰয়োজন সাপেক্ষে ৰূপান্তৰিত হ'বলৈও শিকায়। ক্ৰোধ বা ভয়ৰ পৰা মুক্ত হৈ মানুহে এই জীৱনত মোক্ষপ্ৰাপ্তি অনুভৱ কৰিব পাৰে।

আধ্যাত্মিক ৰাজযোগৰ দ্বাৰা মানৱে জীৱনৰ মূল্য বা প্ৰকৃত লক্ষ্যৰ বিষয়েও বুজি পোৱা হয় আৰু জীয়াই থকাৰ শিক্ষাও লাভ কৰে। ৰাজযোগে মানুহক শান্তি, সহনশীলতা আৰু ধৈৰ্য্যৰ শিক্ষা দান কৰে। কৰ্ম যিমানেই ব্যস্ততাপূৰ্ণ নহওঁক, পৰিস্থিতি যিমানেই ভয়ংকৰ নহওক কিয় ৰাজযোগী ব্যক্তিৰ মন কেতিয়াও তিক্ত নহয়। তেওঁ কৰ্ম কৰে ধৈৰ্য্যৰে, শান্ত ভাৱেৰে, মৰমেৰে বা সৰল মনেৰে।

প্ৰকৃত যোগী তেঁৱেই যিজনে পিতাৰো পিতা পতিৰো পতি, গুৰুৰো গুৰু সদগুৰুৰ লগত বুদ্ধিযোগ স্থাপন কৰে। পৰমাত্মাৰ দ্বাৰা শিকোৱা এই যোগৰ ফল স্বৰূপে মনুষ্যাত্মাই নৰৰ পৰা শ্ৰীনাৰায়ণ আৰু নাৰীৰ পৰা শ্ৰীলক্ষ্মী পদপ্ৰাপ্ত কৰিব পাৰে। সেইবাবে এই যোগক ৰাজযোগ আখ্যা দিয়া হয়।

দুৰ্ভাৱনাৰ পৰা নিজকে মুক্ত কৰাৰ বাবে কিছুলোকে মদ, ধূমপান, গাঞ্জা, আফিং নিচা লগা বৰি, ড্ৰাগছ আদি ব্যৱহাৰ কৰে। কিন্তু দুৰ্ভাৱনা মুক্ত হ'বৰ বাবে এনেবোৰ উপায় কোনোদিনেই স্থায়ী তথা সফলকাম নহয়। কেৱল ৰাজযোগেহে মানুহক জীৱনৰ প্ৰকৃত সত্য উপলব্ধি কৰিবলৈ দিয়ে আৰু অনৈতিক কামৰ প্ৰতি আকৰ্ষিত হোৱাৰ পৰা মুক্ত কৰি মনত এক ঈশ্বৰীয় আনন্দ আৰু প্ৰসন্নতা প্ৰদান কৰে।

পৰম আনন্দ হৈছে মনৰ এনে এটি অৱস্থা য'ত আমি ইন্দ্ৰিয় সুখৰ উৰ্দ্ধলৈ গতি কৰি অতিন্দ্ৰিয় সুখৰ অনুভৱ কৰো। অৱশ্যে এনে অতিন্দ্ৰিয় সুখৰ অনুভৱ কৰিবৰ বাবে আমাক চকুত চমক লগোৱা কোনো সুন্দৰ দৃশ্য অথবা সুমধুৰ-সঙ্গীতৰ, কোনো সন্মোহিনী সুৰৰ বা বতৰৰ প্ৰথমটো ফলৰ সোৱাদ ল'বৰ প্ৰয়োজন নাই। বৰং আমি নিজৰ সৈতে নিৰলে ক্ষন্তেকৰ বাবে জাগতিক চিন্তাৰ সাগৰৰ বাহিৰ হৈ, প্ৰেমৰ সাগৰ পৰম পিতা পৰমাত্মাৰ স্মৃতিত নিজক বিলীন কৰি দি আনন্দৰ সাগৰৰ পৰা পৰামানন্দ অনুভৱ কৰা উচিত।

---

# কৌতুক


ঘৈণীয়েকে গিৰিয়েকক খঙেৰে ক'লে ঃ নিশা তুমি সপোনত মোক বেয়াকৈ গালি পাৰিছা, মা-দেউতাৰ কথাও বেয়াকৈ কৈছা।
গিৰিয়েক ঃ মিছা কথা, মই সপোনত তেনেকৈ কোৱা নাছিলো, সেই সময়ত মই টোপনি যোৱাই নাছিলো।

এজন ল'ৰাই চাইকেলৰ দোকানলৈ গৈ ক'লে — আপুনিতো কৈছিল চাইকেলখন এবছৰৰ ভিতৰত ভাঙি চিঙি গ'লে বিনামূলীয়াকৈ ভাল কৰি দিব?
মালিক ঃ হয় কৈছিলো, কিন্তু কি ভাঙিল?
ল'ৰা ঃ চাইকেলৰ স্পোক আৰু মোৰ দাঁত।

উকিল এজনে অপৰাধীক সুধিলে ঃ মানুহজন কিয় ঢুকাল? এই বিষয়ে তুমি কি ভাবা?
অপৰাধী ঃ হুজুৰ, তেওঁৰ সকলো কথা পাহৰি যোৱাৰ স্বভাৱ আছিল। মই ভাবো তেওঁ উশাহ ল'বলৈ পাহৰি গৈছিল।

**প্ৰিয়ংকা ৰায়**

স্নাতক, তৃতীয় ষান্মাসিক (কলা শাখা)



# মহিলা সবলীকৰণৰ কিছু প্ৰাসঙ্গিকতা

**জগবন্ধু কলিতা**
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

মহিলা সবলীকৰণ এনে এক প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াই মহিলাৰ জীৱনত এক পৰিবৰ্তন ঘটোৱাৰ প্ৰয়াস কৰে। ইয়াৰ বাবে এক সামাজিক পৰিৱেশৰ প্ৰয়োজন য'ত মহিলাসকলৰ আত্মসন্মান অটুত থাকে আৰু জীৱনৰ বিভিন্ন ক্ষেত্ৰ যেনে শিক্ষা, ৰাজনীতি, অৰ্থনৈতিক আদি দিশবোৰৰ নিৰ্বাচনত পুৰুষৰ সমান সুযোগ লাভ কৰিব পাৰে। নিজৰ আয়, শ্ৰম, দেহ, যৌন জীৱন, সম্পত্তি বা আন সম্পদৰ ওপৰত অধিকাৰ ৰক্ষাৰ সুবিধা লাভ কৰিব পাৰে। ১৯৮৫ চনত নাইৰোবিত অনুষ্ঠিত আন্তৰ্জাতিক মহিলা সন্মিলনে মহিলা সবলীকৰণ সন্দৰ্ভত এনে সংজ্ঞা দাঙি ধৰিছিল যে " মহিলা সবলীকৰণ হৈছে সামাজিক শক্তি আৰু সম্পদৰ নিয়ন্ত্ৰণ ব্যৱস্থা, মহিলাৰ হিতাৰ্থে পুনৰ বিতৰণ কৰা প্ৰক্ৰিয়া।"

আমাৰ জাতিৰ পিতাই মহিলা সবলীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কৈছিল — Mahatma Gandhi while defining empowerment of women had described it is as situation "when women, whom we call 'abala' become 'sabala', all those who are helpless will become powerful.' আকৌ পৰৱৰ্তী সন্মিলনে তলত দিয়া ধৰণে উল্লেখ কৰে, The Cairo conference in 1994 organised by U.N. on populalion and development called attention to women's empowerment as a central focus.

এনেকুৱা বিভিন্ন ধৰণৰ সংজ্ঞাৰ পৰা বুজিব পাৰি যে নাৰীসকলক সকলো প্ৰকাৰৰ আৰ্থ-সামাজিক দমন নিপীড়নৰ পৰা মুক্ত কৰি পুৰুষৰ সমানে সকলো প্ৰকাৰৰ অধিকাৰ প্ৰদান কৰা প্ৰক্ৰিয়াই নাৰী সবলীকৰণ। ভাৰতীয় সংবিধানেও পুৰুষ আৰু নাৰীক সমান অধিকাৰ প্ৰদান কৰিছে আৰু এই অধিকাৰ লংঘন হ'লে মানৱ অধিকাৰ উলংঘন কৰা হয়। ভাৰতবৰ্ষত সামাজিক ৰক্ষণশীলতাৰ ধাৰণা জীৱন প্ৰাক্ৰিয়াৰ নানা দিশত এতিয়াও প্ৰচলিত হৈ থকা দেখা যায়। ফলত মহিলাসকলৰ সবলীকৰণ প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে শক্তিশালীভাৱে বিকাশপ্ৰাপ্ত হৈ উঠা নাই। ইয়াৰ বাবে চৰকাৰী, বেচৰকাৰীভাৱে বিভিন্ন প্ৰচেষ্টা অব্যাহত আছে। মহিলাৰ মৰ্যদা ৰক্ষাৰ বাবে সামাজিক পৰিৱেশ সৃষ্টি আৰু মহিলাৰ প্ৰতি সুস্থ দৃষ্টিভংগী আজিও গঢ়ি উঠা নাই।

এইখিনিতে মহিলাৰ স্বাধীনতাৰ বিষয়টো বিচাৰ কৰিবলগীয়া। এচাম মহিলাৰ বাবে স্বাধীনতাৰ অৰ্থ হৈছেগৈ — কমকৈ কাপোৰ পিন্ধাৰ অধিকাৰ, ৰাতি দেৰিকৈ ঘৰ সোমোৱাৰ অধিকাৰ, হোটেল বা বাৰত ৰাগিয়াল বস্তু সেৱন কৰা, বিবাহ বহিৰ্ভুত সম্বন্ধ স্থাপন, মুকলি যৌনাচাৰৰ অধিকাৰ ইত্যাদি। এনে দৃষ্টিভংগীয়েই সুস্থ সামাজিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। আনহাতে, কথাছবি, টেলিভিছন, ইণ্টাৰনেট আদিৰ যোগেদি যি অপসংস্কৃতি বিয়পিছে তাৰ ফলত নাৰীৰ মৰ্যাদা হানি হৈছে। নাৰী আৰু পুৰুষৰ সমান অধিকাৰ নিশ্চয় আছে, কিন্তু নাৰী দেহৰ সুকীয়া বৈশিষ্ট্য প্ৰকৃতিয়ে দান কৰিছে। ফলত নাৰী দেহৰ সৌন্দৰ্য্যক লৈয়ে যুগ যুগ ধৰি অসংখ্য কাহিনী, গ্ৰন্থ চিত্ৰ, ভাস্কৰ্য ৰচিত হৈছে আৰু হৈ থাকিব ইয়াক ৰোধ কৰা হয়তো সম্ভৱ নহব। সেয়ে বৰ্তমানো নাৰী দেহৰ সৌন্দৰ্যক লৈয়েই স্থাপিত হৈছে নানা ব্যৱসায় বানিজ্যৰ সাম্ৰাজ্য। আনকি অনেক নাৰীয়ে দেহ বল্লৰীক মূলধনস্বৰূপে গ্ৰহণ কৰি প্ৰচুৰ ধন-সম্পত্তি আহৰণ কৰিব পাৰিছে। এনে ধৰণৰ কাম-কাজে নাৰীৰ মৰ্যাদা কিমান হানি কৰিছে সেইটো এটা বিতৰ্কমূলক বিষয়। তথাপি আমি স্বীকাৰ কৰিব লাগিব যে ভাৰতবৰ্ষত নাৰীৰ মৰ্যাদা সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে অবাধে হৰণ হৈ আছে।

বিশ্বায়নৰ প্ৰভাৱ আৰু শিক্ষাৰ প্ৰসাৰৰ ফলত সমাজত প্ৰচলিত নীতি-নিয়মবোৰ কিছু লাঘৱ হ'লেও শিক্ষা আৰু সামাজিক ক্ষেত্ৰত নাৰী পুৰুষতকৈ এতিয়াও পিছপৰা। অৱশ্যে বৰ্তমান সময়ত বহু মহিলাক বিভিন্ন দিশত পুৰুষৰ সমানেই অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হোৱা দেখিবলৈ পোৱা যায়। কিন্তু গ্ৰাম্য অঞ্চলৰ মহিলাৰ ক্ষেত্ৰত এতিয়াও তেনে অগ্ৰগতি আমাৰ পৰিলক্ষিত নহয়। তেওঁলোকে নাৰী সবলীকৰণৰ

অৰ্থ উপলব্ধি কৰাত ব্যৰ্থ হোৱা যেন অনুভৱ হয়। তেওঁলোক যেন নিজৰ পদমৰ্যাদা সম্পৰ্কে সিমান সচেতন নহয়। আকৌ নাৰীজনিত অপৰাধসমূহ গ্ৰাম্য অঞ্চলতে হওঁক অথবা চহৰ অঞ্চলতে হওঁক আজিকালি সঘনে ঘটিবলৈ লৈছে যেনে — বলাৎকাৰ, যৌতুকজনিত ঘটনা, বোৱাৰী হত্যা, ডাইনী সজাই হত্যা, মদাহী স্বামীয়ে পত্নীক কৰা নিৰ্যাতন ইত্যাদি ইত্যাদি ঘটনা।

**নাৰীসবলীকৰণ সমস্যাৰ কিছুমান দিশ —**

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ দৰে অসমতো নাৰীসবলীকৰণৰ ক্ষেত্ৰত বিভিন্ন সমস্যা আছে। অসম শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যৰ তুলনাত এতিয়াও বহু পিছপৰি আছে। বিশেষকৈ নাৰীৰ শিক্ষিতৰ শতকৰা হাৰ ল'ৰাৰ তুলনাত বহু কম আৰু নাৰীৰ শিক্ষাৰ পৰা বাদ পৰা শতকৰা হাৰো (Drop out) বহু বেছি সকলো পৰ্যায়তে। অৱশ্যে বৰ্তমান নাৰীৰ উত্তীৰ্ণৰ হাৰ ক্ৰমাত বৃদ্ধি পাই আছে যদিও বিশ্ববিদ্যালয় পৰ্যায়ত শিক্ষিতৰ হাৰ অতি দুখ লগা। অসমত মহিলাৰ সন্তোষজনক বিকাশ নোহোৱাৰ কিছুমান প্ৰধান কাৰণ তলত উল্লেখ কৰা হ'ল —

**দাৰিদ্ৰতা ঃ** আৰ্থিক অভাৱ-অনাটনৰ বাবে ছোৱালীয়ে ঘৰত থাকি মাক-দেউতাক, ভাই-ভনীহঁতক আলপৈচান ধৰা, খেতি-পথাৰত বা ঘৰুৱা কাম-কাজত সহায় কৰা আদি কামত লাগি থাকোতে শিক্ষা লাভ কৰাটো তেওঁলোকৰ বাবে সম্ভৱ নহয়।

**অন্ধবিশ্বাস, কুসংস্কাৰ ঃ** সমাজৰ ৰক্ষনীশলতাৰ বাবে নাৰী শিক্ষাৰ ক্ষেত্ৰত বাধা জন্মিছে। ছোৱালীক অভিভাৱকে পৰিয়ালৰ বোজা বুলি ভবা মনোবৃত্তি আৰু কম বয়সতে ছোৱালীক বিবাহ দিয়া প্ৰথা আজিও সমাজত প্ৰচলন হৈ আছে। বিশেষকৈ গাঁও অঞ্চলত এতিয়াও ছোৱালীৰ ওপৰত কিছুমান সামাজিক নীতি নিয়ম আৰোপ কৰা দেখা যায়।

**নিৰক্ষৰতা ঃ** অভিভাৱকসকল নিৰক্ষৰ হোৱা বাবে ছোৱালীৰ শিক্ষাৰ ওপৰত গুৰুত্ব নিদিয়ে। তেওঁলোকৰ মনোভাৱ, ছোৱালীক পঢ়ালে কি হ'ব এদিন বিয়া দি বেলেগৰ ঘৰলৈ উলিয়াই দিব লাগিব। ল'ৰাক পঢ়ালে বুঢ়া কালত মাক-দেউতাকক ৰক্ষণা-বেক্ষণ দিব আৰু বংশ ৰক্ষা হ'ব। এনে মানসিকতা বহু অভিভাৱকৰ ক্ষেত্ৰত দেখা পোৱা যায়। গাঁও অঞ্চলৰ মানুহে ছোৱালীক ঘৰুৱা কাম-কাজত পাকৈত কৰাৰ ওপৰতহে বেছি গুৰুত্ব প্ৰদান কৰে। নাৰী নিৰ্যাতনৰ বিষয় উপেক্ষিত — বৰ্তমান নাৰী নিৰ্যাতনৰ বিষয় লৈ উদ্ভৱ হোৱা তৰ্ক-বিতৰ্কৰ মাজত নিৰ্যাতিতা সকলৰ দুখৰ কাহিনী সদায় উপেক্ষিত হৈ ৰয়। তৰ্ক-বিতৰ্কৰ মাজত নিৰ্যাতিতাসকলৰ দুখৰ কাহিনী সদায় উপেক্ষিত হৈ ৰয়। তৰ্ক-বিতৰ্কৰ মাজত সুযোগ সন্ধানীয়ে ৰাজনৈতিক মুনাফা লাভৰ হিচাপ-নিকাচ কৰাও দেখা যায়। এনে পৰিস্থিতিত নাৰী নিৰ্যাতন বিষয়টো উপেক্ষিত হৈ ৰয়।

**নাৰীৰ শাৰীৰিক দুৰ্বলতা আৰু মানসিক কোমলতা ঃ** জন্মসূত্ৰে সাধাৰণতে অধিক সংখ্যক মহিলাৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোক শাৰীৰিক ভাবে দুৰ্বল আৰু মানসিকভাৱে বৰ কোমল হৃদয়ৰ। আমাৰ সমাজত থকা অসুৰ স্বৰূপ দানৱসকলে ইয়াৰ সুযোগ লৈ ভয়ংকৰ আক্ৰমণ চলায়। নাৰী শক্তি যে অপৰিসীম সেইটো দেখুৱাবলৈ নাৰীয়ে বহু সময়ত অপৰাগ হয়।

**পশ্চিমীয়া সংস্কৃতি আৰু ভোগবাদৰ বিলাসিতা ঃ** ইয়াৰ ফলত নাৰী-পুৰুষৰ মাজত অবাধ মিলা-মিচা, নাৰী-পুৰুষৰ সম্পৰ্কৰ মাজত উদাৰ দৃষ্টিভংগীৰ সুযোগ লৈ বিভিন্ন ব্যভিচাৰ হ'ব ধৰিছে। সামগ্ৰীকভাৱে সমাজ ব্যৱস্থাক থান বান কৰি বিসংগতিৰ সৃষ্টি কৰিছে। যেনে কম কাপোৰ-কানি পিন্ধি কম বয়সীয়া ছোৱালীয়ে পানশালাত মদ খাবলৈ যোৱা।

**সংবাদ মাধ্যমৰ ব্যাপক প্ৰচাৰ ঃ** সমাজত চলি থকা ধৰ্ষণ, বলাৎকাৰ আদিৰ নিচিনা খবৰবোৰ বৰ ব্যাপক হাৰত প্ৰচাৰ হয়। কিছুমান দুৰ্বৃত্তই ধৰ্ষণৰ ভিডিঅ' ৰেকডিং কৰি প্ৰচাৰ কৰাটো পৰম আনন্দ আৰু উল্লাসৰ কাম বুলি ভাবে। এনে বৰ্বৰ কাণ্ড কাৰখানাৰ সন্মুখত তিষ্ঠিব নোৱাৰি বহু ভুক্তভোগীয়ে বাছি লয় আত্মহননৰ নিচিনা পথ। ধৰ্ষণৰ বিৰুদ্ধে প্ৰতিবাদ কৰা লোকক হত্যা কৰাৰ দৰে অসংখ্য ঘটনা ঘটি আছে, বিশেষকৈ দিল্লী, বিহাৰ, মহাৰাষ্ট্ৰ আদিৰ দৰে ৰাজ্যত।

**যৌতুক প্ৰথা ঃ** যৌতুকজনিত ঘটনা আজিৰ এই সভ্য সমাজত চলি থকাটো বৰ দুৰ্ভাগ্যজনক কথা। প্ৰায় যৌতুকৰ বাবে স্বামীয়ে পত্নীক অকথ্য নিৰ্যাতন, উৎপীড়ন চলোৱাৰ খবৰ পেপাৰে-পত্ৰই পৰিৱেশন হৈয়ে থাকে। যৌতুকৰ বাবে হত্যা কৰা ঘটনা প্ৰায় সংঘটিত হৈ থাকে কম-বেছি পৰিমাণে সকলো সমাজতে। কিছুমান ঘটনাত আকৌ নাৰীয়ে নাৰীৰ শত্ৰু হিচাপে কাম কৰাও দেখিবলৈ পোৱা যায়। যৌতুকৰ বাবে কিছুমান শাহুৱেকে বোৱাৰীৰ ওপৰত অত্যাচাৰ চলায়।

**সবলীকৰণৰ অৰ্থ বুজি নোপোৱা ঃ** গ্ৰাম্য অঞ্চলৰ মহিলাসকল যথেষ্ট কৰ্মী। তেওঁলোকে কৃষিকাৰ্যকে ধৰি হাঁহ-কুকুৰা পালন, এৰি-মুগা পোহা, কাপোৰ বোৱা, গৰু-ছাগলী পোহা আদি কাম কৰি অৰ্থ উপাৰ্জনত পুৰুষক সহায় কৰি থাকে। তেওঁলোক নিজৰ পদমৰ্যাদা, অধিকাৰ আদি সম্বন্ধে একেবাৰে সচেতন নহয়। বৰঞ্চ বহু ক্ষেত্ৰত তেওঁলোক পুৰুষ সদস্যৰ দ্বাৰা নিৰ্যাতিত, প্ৰহৃত হোৱা দেখা যায়।

আনহাতে ঘৰুৱা বিষয়ক সিদ্ধান্ত গ্ৰহণত নাৰীসকলে প্ৰায় বঞ্চিত হোৱা দেখা যায়। পুৰুষপ্ৰধান সমাজ ব্যৱস্থা আজিও ভাৰতবৰ্ষৰ বিভিন্ন গাঁও অঞ্চলত চলি থকা পৰিলক্ষিত হয়।

**মহিলাৰ স্বাস্থ্য আৰু সন্তান জন্মৰ সমস্যা ঃ** স্বাস্থ্য আৰু সন্তান জন্মৰ ক্ষেত্ৰত বিশেষকৈ গাওঁলীয়া মহিলাসকলৰ মতামতক অগ্ৰাধিকাৰ দিয়া বা তেওঁলোকে মতামত দাঙি ধৰিব পৰা ব্যৱস্থা আজিলৈকে অৰ্জন কৰিব পৰা নাই। তেওঁলোকে পুৰুষৰ সিদ্ধান্ত মতে এটাৰ পিছত এটা সন্তান জন্ম দি এক ৰুগীয়া স্বাস্থ্যৰ অধিকাৰী হৈ পৰে। বহু সংখ্যক নাৰী ঘৰুৱা পৰিৱেশত পুৰুষৰ দ্বাৰা শাৰীৰিক, মানসিক উৎপীড়ন তথা নিৰ্যাতন ভোগ কৰিবলগীয়া হয়। কাৰণ তেওঁলোকে সন্তান জন্ম দিয়া অধিকাৰ আৰু শাৰীৰিক অধিকাৰ আদি

সম্বন্ধে অৱগত নহয়। লগতে সমাজত প্ৰচলিত লিংগভিত্তিক বৈষম্যৰ ভাব, মহিলাৰ ৰক্তহীনতা, পুষ্টিহীনতা আদি সমস্যাৰ বাবে নাৰীক পুৰুষৰ তুলনাত নিম্ন স্থানত ৰখা হয়।

**বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ ঃ** আধুনিক প্ৰযুক্তি বিদ্যাৰ আৱিস্কাৰসমূহৰ সফল ব্যৱহাৰৰ জৰিয়তে আমি আমাৰ নাৰী জাতিৰ জীৱন সহজ-সাধ্য কৰি তুলিব পাৰো। কিন্তু দুখৰ বিষয় এয়ে যে অত্যাধুনিক সামজখনিত এতিয়াও বহুতো নাৰীয়ে এই সুবিধাসমূহ উপভোগ কৰিব পৰা নাই। গাঁও অঞ্চলত এতিয়াও বহুত নাৰীয়ে জুই জ্বলাই ৰন্ধা-বঢ়া কৰে। মেচিন আদিৰ ব্যৱহাৰ নাজানে। ইয়াৰ মূলতে হৈছে অৰ্থনৈতিক দুৰৱস্থা।

স্বাধীনতাৰ পিছৰ পৰাই শিক্ষাৰ প্ৰচাৰৰ যোগেদি সমাজত মহিলাৰ স্থান উচ্চ কৰাৰ বাবে বিভিন্ন সময়ত বিভিন্ন কমিটি, কমিচন আদি নিয়োগ কৰি অহা দেখা যায়। ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতিত নাৰীৰ মৰ্যাদা, সম সুবিধা আৰু সামাজিক ন্যায় প্ৰদানৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। মহিলা সবলীকৰণৰ আন এক উল্লেখযোগ্য ব্যৱস্থা —The National Policy on Empowerment of women adopted in 2001, state that " All forms of violence against women physical and mental, whether at home (domestic) or social levels including those arising from customs, traditions or accepted practies shall be dealt with effectively with a view to eliminate its incidence. Institutions and mechanisms/ schemes for assistance will be created and strengthened for prevention of such violence, including sexual harrasment at work place and customs like dowry, for the rehabilitation of the victims of violence and for taking effective active action against the perpetrators of such violence. A special emphasis will be laid on programmes and measures to deal with trafficking in women and girls."

২০০৫ চনত নাৰীক ঘৰুৱা পৰিৱেশত পুৰুষৰ উৎপীড়নৰ পৰা মুক্ত কৰিবৰ বাবে Protection of Women from Domestic Violence Bill-2005' গৃহীত কৰা হয়। একেদৰে নাৰীয়ে স্বামীৰ সম্পত্তিৰ লগতে পিতৃ-মাতৃৰ সম্পত্তিৰ অংশ লাভৰ বাবে 'Women Interitence Bill ও পাছ কৰা হয়। মহিলা সবলীকৰণৰ ক্ষেত্ৰত এনেধৰণৰ চৰকাৰী প্ৰচেষ্টা বিভিন্ন আইনৰ জৰিয়তে গ্ৰহণ কৰা হৈছে। লগতে মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা আমি স্বীকাৰ কৰিব লাগিব। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল আমি শিশুসকলৰ বিভিন্ন সমস্যা নাইকিয়া কৰিবলৈ হ'লে মহিলাসকলৰ সমস্যা প্ৰথমে নাইকিয়া কৰিব লাগিব। কাৰণ এটা পৰিয়ালৰ সুখ সমৃদ্ধি নিৰ্ভৰ কৰে প্ৰকৃতাৰ্থত শিক্ষিতা মহিলাৰ ওপৰত। শিক্ষাৰ দ্বাৰাহে মহিলাসকলে সামাজিক তথা অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল, স্বাৱলম্বী আৰু সবল-শক্তিশালী হৈ উঠিব। ইয়াৰ জৰিয়তে মহিলাসকলৰ ওপৰত চলা শোষণ, দমন, অত্যাচাৰ আদিৰো বিলুপ্তিসাধন সম্ভৱ হৈ উঠিব বুলি আশা কৰিব পাৰি। মহিলাসবলীকৰণত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ লগতে শিক্ষানুষ্ঠান তথা সমাজে কিছুমান পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ বাবে বিভিন্ন ধৰণৰ বৃত্তিমূলক শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগিব। শিক্ষাৰ দ্বাৰাহে মহিলাসকলৰ ওপৰত চলা অন্ধবিশ্বাস, শোষণ, দমন অত্যাচাৰ আদিৰ বিলুপ্তিসাধন সম্ভৱ হৈ উঠিব পাৰে। মহিলাৰ ওপৰত চলা বলাৎকাৰ, ধৰ্ষণ আদি নিৰ্যাতনৰ বাবে পৰিত্ৰাণ পাবলৈ হ'লে প্ৰত্যেক মহানগৰীতে পতিতালয় খোলাটো বিচাৰ্য বিষয় হিচাপে বৰ্তমান পৰিগণিত হোৱা দেখা যায়। লিংগ বৈষম্যৰ সৃষ্টি কৰা যিকোনো বিষয় পৰাপক্ষত শিক্ষা তথা সমাজৰ পৰা উঠাই দিব লাগে। 'এইটো ল'ৰাৰ বাবে', 'সেইটো ছোৱালীৰ বাবে' এনে ধৰণৰ মন্তব্যৰ পৰা আমি আঁতৰি থাকিব লাগে। সামগ্ৰীকভাৱে মানুহ হিচাপে বিবেচনা কৰিব লাগে। অৱশ্যে বৰ্তমান আমাৰ সমাজত প্ৰথম, দ্বিতীয় আৰু তৃতীয় লিংগৰ ব্যক্তিয়ে সমান, সমান সুবিধা লাভ কৰাৰ ব্যৱস্থা চৰকাৰীভাৱে হৈছে।

মহিলাৰ প্ৰগতিৰ প্ৰতি আমাৰ সমাজত এক বিৰূপ মনোভাৱ থকাটো পৰিলক্ষিত হয়। মহিলাসকলৰ প্ৰগতিয়ে সমাজত বিশৃঙ্খলা আনিব বুলি মানুহৰ মনত এটি ধাৰণা সোমাই পৰিছে। সেয়ে সমাজৰ পৰা এনে ধৰণৰ ৰক্ষণশীল মনোভাৱ আঁতৰ কৰাৰ ব্যৱস্থা কৰি বাস্তৱ চিন্তাধাৰা মানুহৰ মনত জগাই তুলি নাৰী শিক্ষাৰ প্ৰতি থকা বিৰাগ মনোভাৱ দূৰ কৰিবলৈ যত্নপৰ হ'ব লাগিব। এই সন্দৰ্ভত আমি স্বামী বিবেকানন্দৰ এফাকি কথা উনুকিয়াব পাৰো। তেওঁ কৈছিল যে "The country and that nation which do not respect women have never become great nor will ever be in future."

সেয়ে, নাৰীৰ প্ৰতি সন্মানৰ ভাৱ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত জগাই তুলিব লাগে। পৰিয়ালত এক সুস্থ পৰিৱেশ বজাই ৰাখি মহিলাসকলে সবল হ'বৰবাবে নিজেও সজাগ, সচেতন হ'ব লাগিব। যিহেতু নাৰী আৰু পুৰুষ সমানে সবল আৰু শক্তিশালী হলেহে এখন সমাজৰ সৰ্বাংগীন উন্নতি তথা বিকাশ সম্ভৱ হয়।

(বিভিন্ন প্ৰসঙ্গ পুথি আৰু বাতৰি কাকতৰ সহায়ত পাঠটো প্ৰস্তুত কৰা হৈছে।)

# প্ৰাচীন কামৰূপৰ পৰা আধুনিক অসম ঃ এক চমু অৱলোকন

ড° আবুল হুছেইন
সহযোগী অধ্যাপক আৰু মূৰব্বী,
ৰসায়ণবিজ্ঞান বিভাগ

মহাভাৰতৰ পঞ্চপাণ্ডৱ আৰু কৌৰৱসকলৰ বাদেও কৰ্ণৰ ভূমিকা আছিল তাৎপৰ্যপূৰ্ণ। এটা সময়ত কৰ্ণৰ দলটো গংগা নদীৰ সীমাত বসতি কৰিছিল। এওঁলোক গঙ্গামাতৃ কামৰ পৰা প্ৰব্ৰজিত হোৱা পিলী বা কামপিলী। এই কামপিলীসকলৰ এটা উপদলে প্ৰব্ৰজিত হৈ কেনেদৰে বসবাস কৰা আৰম্ভ কৰে তাৰ বৰ্ণনা পোৱা যায় এনেদৰে, 'পশ্চিমে কৰতোৱাৰ পৰা পুৱে স্বৰ্ণনদী, দক্ষিণে মণ্ডশৈলগিৰি আৰু উত্তৰে বিহগাচল।' এইবিশাল অঞ্চলটো কামপিলী বা কামলুপ আৰু পিছলৈ কামৰূপ বুলি খ্যাত হয়। যোগীনী তন্ত্ৰৰ মতে উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে সাগৰ, পূৱে উদয়গিৰি আৰু পশ্চিমে শ্ৰীপৰ্বত। এই যৎকোণ প্ৰকৃষ্ঠ গৰ্ভযুক্ত কামৰূপ বুলি জানিবা[১]। এইটো সত্য যে সমগ্ৰ অসমখনেই কামৰূপৰ অন্তৰ্ভুক্ত আছিল। এই কামৰূপ ৰাজ্যৰ পৰাক্ৰমী বীৰ তথা ৰজা আছিল ভগাদত্ত। ভগাদত্তই মহাভাৰতৰ যুদ্ধত কৌৰৱৰ ফলীয়া হৈ যুদ্ধ কৰি মৃত্যুবৰণ কৰিছিল। মহাভাৰতৰ যুদ্ধৰ সময়ত ভগাদত্তই হস্তী বা ঐৰাৱত যুদ্ধৰ কৌশলী যোদ্ধা আছিল। মহাভাৰতত উল্লেখ আছে —

ঐৰাৱত সমতুল্য গজ নাহি যাৰ।
কেমন শকতি তাক ৰণে জিতিবাৰ (২)।।
বিৱৰ্ণ বদন প্ৰজা তবধ পৰায়।
ইন্দ্ৰে যেন পৰ্বত ভেদিলা বজ্ৰঘাই(৩)

গেইটৰ মতে 'Bhagadutta is frequently mentioned in the Mahabharata as a powerful potentiate ruling in the east. In the Sava Parban it is related that Arjun attacked his Kingdom of pragjyotisha',[4] কিন্তু গেইট চাহাবে উল্লেখ কৰাৰ দৰে ভগাদত্তপ্ৰাগজ্যোতিষৰ ৰজা আছিল। কিন্তু সভাপৰ্বত স্পষ্টকৈ লিখা আছে যে, ভগাদত্তকামৰূপৰহে ৰজা আছিল। সভাপৰ্বত স্পষ্টৰূপত লিখা আছে এনেদৰে —

কামৰূপেশ্বৰ নৰকৰ সুত
ভগাদত্তমহীপাল।
বত্ৰিশ হাজাৰ ৰজা লাগে যাৰ
ভেটি ঘাটি তুলমাল (৫)।

ভগাদত্ত কামৰূপৰহে ৰজা আছিল ইয়াৰ পৰাই নিশ্চয় বুজি পাৰি। অৱশ্যে ভগাদত্তপ্ৰাগজ্যোতিষপুৰৰ ৰজাও আছিল বুলি ক'লে ভুল নহব। ঘটোৎকচ ভীম পুত্ৰ আছিল বাবে পঞ্চ পাণ্ডৱে ভগাদত্তৰ পৰা প্ৰাগজ্যোতিষপুৰ কাঢ়িলৈ তাত ঘটোৎকচক ৰজা পাতিছিল। সেয়ে ভগাদত্ত আৰু ঘটোৎকচৰ মাজত শত্ৰুতা চলিছিল। ঘটোৎকচ আছিল কিৰাট বংশৰ বীৰ। সম্ভৱত ভগাদত্ত সাময়িকভাৱে হ'লেও প্ৰাগজ্যোতিষপুৰ তেওঁৰ দখললৈ আনিছিল। গেইটৰ বুৰঞ্জীৰ ১৪ পৃষ্ঠাত উল্লেখ থকা এইকথাষাৰৰ তাৎপৰ্য সেয়ে উলাই কৰা নেযায়—'Bhagadutta had host of Kirat's and Chins and numerous other worriors that dwelt on the sea cost. But after eight days firece fighting he was defeated and compelled to pay tribute.' কামৰূপৰ ৰজা ভগাদত্ত যে মহাভাৰত মহাকাব্য দমনৰ বীৰসকলৰ সমসাময়িক আছিল তাত কোনো সন্দেহ নাই। মহাভাৰতৰ যুদ্ধত প্ৰাগজ্যোতিষৰ ৰজা ঘটোৎকচ আৰু কামৰূপৰ ৰজা ভগাদত্তৰ মৃত্যু হৈছিল। কামৰূপ আৰু প্ৰাগজ্যোতিষ যে ওচৰা-ওচৰি ৰাজ্য আছিল আৰু পিছত দুয়োখন ৰাজ্য একত্ৰিত হৈছিল তাৰ প্ৰমাণ পোৱা যায় কুমাৰ ভাস্কৰ বৰ্মণৰ শাসন কালৰ পৰা।

যদিও বৰ্মণ বংশৰ প্ৰতিষ্ঠাতা আছিল বীৰ বৰ্মা তেওঁৰ দিনৰ ৰাজ্যৰ পৰিসীমাৰ সঠিক তথ্য পোৱা নাযায়। ভাস্কৰ বৰ্মণৰ সময়ত ৰাজ্যৰ পৰিসীমা আছিল বিশাল, দক্ষিণত বঙ্গোপসাগৰলৈ বিস্তৃত আছিল ভাস্কৰ বৰ্মণৰ ৰাজ্য। ভাস্কৰ বৰ্মণৰ বিষয়ে চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ বিৱৰণ আছিল যথেষ্ট গুৰুত্বপূৰ্ণ। হিউৱেনচাঙে সমগ্ৰ কামৰূপ ভ্ৰমণ কৰি এটি টোকা লিখিছিল। সেই টোকাৰ পৰা কামৰূপ ৰাজ্যৰ সীমা, অৰ্থনীতি, ৰাজনীতি আৰু জনসাধাৰণৰ আচাৰ-আচৰণ সম্পৰ্কে জানিব পাৰি। গেইট চাহাবে হিউৱেনচাঙৰ বিৱৰণীৰ উদ্ধৃতি দি The History of Assam ত লিপিবদ্ধ কৰিছে এনেদৰে — 'From Pundra Vardhana going east about 150 miles crossing the great river Kolotu we came to the Country of Kamrupa, which Hiensang Tiang describes as follows:

The Country of Kamrupa is nearly 17,000 miles is circuit. The Capital town is about 5 miles. The land lies low, but is rich and regularly cultivated. The cultivation of lake fruit and the coconut, these threes though numerous, are neverthles much valued and esteemed. Water led from the river. The climate is soft and temperate. The manners of the people are simple and honest. The men are of small statue and their complexion a dark yellow. The language difference a little from that of the mid-India. Their nature is

very impetous and wild'. [6]

গেইট চাহাবে হিউৱেনচাঙৰ বিৱৰণীৰ ওপৰত অধ্যয়ন কৰি মন্তব্য দিছে এনেদৰে — 'The great river which our traveller crosses before entering Kamrupa was clearly Karatowa, while as he eastern boundary was a line of Hills adjacent to the ribes on the chinese frontier. The country evidently extended as far to the east as does the modern province of Assam'. [7]

ভাস্কৰ বৰ্মণৰ কামৰূপ ৰাজ্যৰ বিৱৰণীৰ পৰা স্পষ্ট ৰূপত বুজা যায় যে সেই সময়ত পুণ্ড্ৰবধন, সুমাত্ৰা (বঙ্গ) আদি ৰাজ্য কামৰূপৰ সৈতে সংলগ্ন আছিল। কামৰূপৰ বিষয়ে বিভিন্ন তথ্য প্ৰাচীন বুৰঞ্জীত পোৱা যায় যদিও সকলো ক্ষেত্ৰতেই হিউৱেনচাঙৰ টোকাটোকেই মূল্যবান বুলি গণ্য কৰা হয়। হিউৱেনচাঙৰ বিৱৰণীৰ পৰা সুন্দৰকৈ বুজা যায় যে সেই সময়ত কামৰূপত থকা মানুহবোৰ মঙ্গোলীয়-অষ্ট্ৰিক আৰু দ্ৰাবিড়ৰ সংমিশ্ৰণ আছিল। কুমাৰ ভাস্কৰ বৰ্মন বৰ্মন বংশৰ শেষ ৰজা আছিল। এই বৰ্মন বংশৰ ৰজাসকল দ্ৰাবিড়ীয় মূলৰ আছিল। হিউৱেনচাঙৰ বিৱৰণী মতে মানুহবোৰৰ শাৰীৰিক গঠনবোৰ চুটি, পিতবৰণীয়া ইত্যাদিৰ পৰা এইটো ক'ব পৰা যায় যে সেই সময়ত দ্ৰাবিড় মূলৰ আৰু মঙ্গোলীয় মূলৰ মানুহ কামৰূপত বসবাস কৰিছিল। পিছত কামৰূপ ৰাজ্যৰ পশ্চিম অংশ পৃথক হৈ কমতাপুৰৰ সৃষ্টি হয়। যি কি নহওঁক কামৰূপ প্ৰাগজ্যোতিষপুৰ এটা সময়ত নাইকিয়া হৈ খণ্ড খণ্ড ৰাজ্যৰ সৃষ্টি হয়। এই খণ্ড খণ্ড ৰাজ্যৰ সংখ্যা আছিল তেৰখন। তেৰখন ৰাজ্যৰ নাম আছিল —

। অঙ্গ (বিহাৰৰ ভাগলপুৰৰ পৰা দৰংলৈ বিস্তৃত অঞ্চল)
॥ বঙ্গ (বৰ্তমান বাংলাদেশৰ দক্ষিশাঞ্চল ঢাকা, চট্টগ্ৰামলৈ)
॥ কলিংগ (উৰিষ্যা আৰু বংগৰ কিছু অংশ)
। সুহ্ম (কোচবিহাৰ, দিনহাটা, মেকলিগঞ্জ)
। স্ত্ৰীপাট (মেঘালয়, কাৰ্বিৰ কিছু অংশ মাতৃপ্ৰধান ৰাজ্য)
। বৃক্ষ (শদিয়া অঞ্চল)
। মণিপুৰ (বৰ্তমানৰ মণিপুৰ ৰাজ্য)
। নাগ (মনিপুৰৰ লগতে থকা ৰাজ্য)
০। কঙ্ক (বৰ্তমানৰ মিজোৰাম, ত্ৰিপুৰা, ময়মনসিং আৰু কাছাৰৰ কিছু অংশ)
১। সুৰেসুত (নাগা ৰাজ্যৰ লগত থকা ৰাজ্য)
২। কুণ্ডল (উত্তৰ গুৱাহাটী আৰু উত্তৰাঞ্চল)
৩। বালিৰাজ্য (শোণিতপুৰ অঞ্চল)

এই তেৰখন ৰাজ্য এসময়ত কামৰূপৰ অন্তৰ্ভুক্ত আছিল। মানুহবোৰ আছিল দ্ৰাবিড়, মংগোলীয় আৰু অষ্ট্ৰিক জনগোষ্ঠীৰ। পিছত আৰ্যসকলৰ আগমনত সংমিশ্ৰিত জনগোষ্ঠীৰ সৃষ্টি হৈছিল। পশ্চিমে কৰতোৱা নদী (আলদাৰ ওচৰত) পূবে স্বৰ্ণ নদী (সোণকোষ) দক্ষিণে মন্দশৈগিৰি আৰু উত্তৰে বিহংগাচল যিটো ইতিমধ্যে উল্লেখ কৰা হৈছেই কামৰূপ ৰাজ্য সম্পৰ্কত। সেই সময়ত দক্ষিণৰ অঞ্চলসমূহ পৃথক হৈ গৈছিল যিটো পীঠ চাৰিটাৰ বৰ্ণনাৰ পৰা পোৱা যায়। ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠৰ বৰ্ণনাৰ পৰা দেখা যায় যে কামৰূপ ৰাজ্যৰ পৰিসীমা পিছত কিছু সংকুচিত হৈছিল। ৰত্নপীঠৰ অন্তৰ্গত আছিল আজিৰ ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰৰ কোচবিহাৰ, ধুবুৰী, ৰংপুৰ, বগুৰা, হালধীয়া, মেকলিগঞ্জ আদি। বহুতেই বৰ্তমানৰ গোৱালপাৰা, লক্ষীপুৰ, মানকাচাৰ, ৰত্নপীঠৰ অন্তৰ্ভুক্ত আছিল বুলি ক'ব খোজে যিটো সত্য নহয়। খা চৌধুৰী আমানত উল্লা আহমদৰ 'কুচবিহাৰেৰ ইতিহাস' গ্ৰন্থত স্পষ্ট ৰূপত ৰত্নপীঠৰ বৰ্ণনা আছে। কামপীঠৰ অন্তৰ্ভুক্ত আছিল বৰ্তমানৰ গোৱালপাৰা, কামৰূপ আৰু দৰং জিলা। স্বৰ্ণপীঠৰ অন্তৰ্ভুক্ত আছিল এতিয়াৰ নগাঁও, শোণিতপুৰ, কাৰ্বি আংলং আদি, সৌমাৰ পীঠত আছিল শিৱসাগৰ, যোৰহাট, ধেমাজী, লক্ষীমপুৰ, ডিব্ৰুগড় আৰু শদিয়া অঞ্চল। আহোমসকলে আহি প্ৰথম এই সৌমাৰপীঠতেই ৰাজ্য বিস্তাৰ কৰিছিল। এই চাৰিখন পীঠৰ ঐতিহ্য আৰু ইতিহাসৰ মাজত যথেষ্ট মিল আছিল যদিও পিছত বিভিন্ন জনগোষ্ঠীৰ সোঁতে সংস্কৃতি আৰু ভাষাৰ ওপৰত প্ৰভাৱ পেলাইছিল আৰু সেই অনুসৰি অঞ্চলভেদে ভিন্নতাও লাভ কৰিছিল। প্ৰব্ৰজিত জনগোষ্ঠীসমূহৰ সৈতে স্থানীয় জনগোষ্ঠীৰ সংঘাততকৈ সমন্বয়হে বেছি হৈছিল। বিভিন্ন উৎস যেনে লিপি, বিদেশী লিখকৰ বিৱৰণ আৰু পুৰাতাত্বিক অনুসন্ধানৰ পৰা পোৱা মতে প্ৰাগজ্যোতিষ আৰু কামৰূপ দুখন ওচৰা ওচৰি ৰাজ্য আছিল আৰু পিছত একেলগ হৈছিল। পিছৰ পৰ্যায়ত বিভিন্ন বংশই ৰাজত্ব কৰা হেতুকে পূৰ্বতে উল্লেখ কৰা খণ্ডসমূহত সংস্কৃতিৰ ধাৰাও সলনি হৈ পৰে। পাল বংশৰ ৰজাসকল আছিল বৌদ্ধ ধৰ্মাৱলম্বী। অৰ্থাৎ বৌদ্ধধৰ্মৰ বিস্তাৰ তথা প্ৰসাৰ সেইসময়ত বহুত ঠাইত হৈছিল। পালবংশৰ ৰজাসকলৰ ভিতৰত ধৰ্মপাল এজন পৰাক্ৰমী ৰজা আছিল। পিছত পালবংশ স্তিমিত হৈ পৰে আৰু সেন বংশৰ উত্থান ঘটে। সেন বংশৰ ৰজাসকল হিন্দু ধৰ্মাৱলম্বী আছিল। সেন বংশৰ ৰাজত্বকালছোৱাত বহুত মঠ-মন্দিৰ স্থাপিত হৈছিল। সেই সময়ছোৱাত বৰ্তমান অসমৰ ৰাজনৈতিক অৱস্থিতিৰ বিষয়ে সবিশেষ জনা নাযায়। অসমখন পালবংশ আৰু সেন বংশৰ ৰজাসকলৰ অধীন আছিল বুলিও কিছুসংখ্যক ইতিহাসবিদে ক'ব খোজে। পিছত বাৰশ শতিকাৰ আৰম্ভনিত মুছলমানসকলৰ আগমন ঘটে। অৱশ্যে এই আগমন দক্ষিণাঞ্চল অৰ্থাৎ বৰ্তমানৰ পশ্চিমবংগ আৰু বাংলাদেশত ঘটিছিল। ব্ৰাহ্মণবাদ আৰু নিম্নবৰ্ণৰ হিন্দুৰ মাজত বৈষম্যতাই এচাম নিম্নবৰ্ণৰ হিন্দুক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল। মধ্যযুগৰ ধৰ্ম সংস্কাৰক আৰু চুফিসকলে নিম্নশ্ৰেণীৰ হিন্দুক ইছলাম ধৰ্ম গ্ৰহণ কৰাত সহায় কৰিছিল। আজি বঙ্গ, বাংলা, পশ্চিম অসম আদিৰ মুছলমান জনগোষ্ঠী ধৰ্মান্তৰিত মুছলমান। ইতিহাসৰ পটপৰিৱৰ্তনত পিছলৈ ভুঞা, কোচৰাজবংশী আৰু আহোমসকলৰ ৰাজত্ব চলে যদিও অসমৰ পশ্চিম প্ৰান্তত কোচ আৰু পূব প্ৰান্তত আহোমসকলে ৰাজত্ব কৰিছিল। সৰু সুৰা ৰাজ্যবোৰে ইফালে সিফালে বিস্তাৰ লাভ কৰিছিল। এনেকৈয়ে আহি আহি মোগল, ব্ৰিটিছৰ পৰা আধুনিক অসমৰ সৃষ্টি হৈছিল।

---

সহায়ক গ্ৰন্থপঞ্জী ঃ

১) প্ৰাচীন অসমৰ সংস্কৃতি আৰু বুৰঞ্জী, ৰাজেন্দ্ৰ কলিতা, পৃষ্ঠা - ১৪
২) মহাভাৰত, ২২৮৯৯
৩) পূৰ্বোক্ত, ২২৯২৫
৪) The History of Assam, Gait, Page - 14.
৫) সভাপৰ্বত ২৫০৭
৬) The History of Assam, Gait, Page-25
৭) Ibid...... Page-25
৮) কোচবিহাৰেৰ ইতিহাস, খাঁ চৌধুৰী আমানত উল্লা আহমদ, পৃষ্ঠা- ৪০

# মোৰ নিজৰ কথাৰে



**বিশ্বৰঞ্জন ভট্টাচাৰ্য**
**উঃ মাঃ দ্বিতীয় বৰ্ষ (বাণিজ্য শাখা)**

"বন্ধু' নামৰ শব্দটোৰ মাজত সোমাই থকা 'বিশ্বাস' নামৰ শব্দটোৰ মূল্য দিনক দিনে সংগোপনে হেৰাই যাব ধৰিছে। তাৰ ঠাইত সোমাই পৰিছে 'অবিশ্বাস', 'স্বাৰ্থ', 'লোভ' আদি শব্দবোৰ। ফলত প্ৰকৃত বন্ধুৰ অভাৱ ঘটিছে বৰ্তমান সময়ত। আজি যেন সকলোৱে ব্যস্ত নিজক লৈ। জীৱনত জীয়াই থাকিবলৈ হ'লে প্ৰয়োজন এজন প্ৰকৃত বন্ধুৰ। কিন্তু কাক বা কাৰ লগত পাতিম বন্ধুত্ব? সঁচাকৈ পৰা আজিলৈ পোৱা নাই এজন প্ৰকৃত বন্ধু। যাৰ লগত পাতিম মনৰ কথা। কোনোবাই বাৰু বিচাৰি দিবনে মোৰ বাবে এজন বন্ধু? যিজনে মোৰ সুখ, দুখ সকলোৰে সমভাগী হ'ব! মই বিচাৰো এনে এজন বন্ধু যি হ'ব এটা নিষ্পাপ ফুলৰ দৰে। এজোপা ফুলগছে আমি কৰা পূজা পাৰ্বণত আমাৰ মনত আনন্দ প্ৰদান কৰে। ঠিক একেদৰে আমাৰ দুঃখৰ সময়ত অৰ্থাৎ কোনোবাৰ মৃত্যু হ'লে উক্ত ফুলগছৰ ফুলে তাতো আমাক সহযোগ কৰে। একেদৰে এজন প্ৰকৃত বন্ধুৱেও মোৰ সুখৰ সময়ত যেনেদৰে আনন্দ প্ৰদান কৰিব আকৌ দুঃখৰ সময়তো সহযোগ কৰিব। কোনোৱে পাৰিবনে মোৰবাবে তেনে এজন বন্ধু বিচাৰি দিবলৈ? নোৱাৰে। কাৰণ আজিৰ সমাজ ব্যৱস্থা, আজিৰ পৰিবেশে তেনে এজন মানুহ সৃষ্টি কৰা নাই। আজিৰ বন্ধু, বন্ধু নহয়, বন্ধুৰ নামত কলংক। আমি বাৰু নোৱাৰোনে আমাৰ সকলো স্বাৰ্থ, লোভ, লালসা ত্যাগ কৰি 'বন্ধু' নামৰ শব্দটোক সন্মান জনাবলৈ? আমি তাৰ বাবে চেষ্টা কৰাৰ প্ৰয়োজন হৈছে। চেষ্টা কৰিলে হয়তো সম্ভৱ হ'ব পাৰে। গতিকে অতিপাত চেষ্টা আৰু নিজৰ মনৰ অদম্য ইচ্ছাৰে জীৱনত এজন ব্যক্তিৰ সৈতে নিস্বাৰ্থ বন্ধুত্ব কৰি আত্ম সন্তুষ্টি লাভ কৰাৰ প্ৰয়োজন আহি পৰিছে। তেতিয়া অনুভৱ কৰা যাব ফুলগছ এজোপাত ফুলি থকা ফুলবোৰ দেখিবলৈ যেনে ধুনীয়া লাগে, একেদৰে জীৱনত এজন প্ৰকৃত বন্ধু লাভ কৰিলেও তেনেই লাগিব। তাৰে বাবেই মোৰ মনৰ ভাব

ফুল গছত ফুল চাবা কিন্তু নিছিঙিবা
বন্ধুত্ব কৰিবা, কিন্তু স্বাৰ্থ নাৰাখিবা।।



# বিশ্বশিল্পী ড° ভূপেন হাজৰিকা

কুলদ্বীপ মেধি
স্নাতক তৃতীয় যান্মাসিক, কলা শাখা

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মাৰ আশীষ লৈ মহান শিল্পীৰূপে পৰিচিত হোৱা অসমৰত্ন ড° ভূপেন হাজৰিকাই সাহিত্য সংস্কৃতিৰ বৰঘৰত প্ৰৱেশ কৰি নিজকে কিন্তু যাযাবৰী শিল্পী হিচাবেহে পৰিচয় দিছিল। লুইতৰ পৰা মিচিচিপিলৈ, ভল্গাৰ পৰা পেৰিচলৈ অথবা ইলোৰাৰ পৰা চিকাগোলৈ অসম আৰু অসমীয়াৰ পৰিচয় ডাঙি ধৰা বিশ্বৰ অন্যতম শ্ৰেষ্ঠ শিল্পীজন যদিও আজি আমাৰ মাজত নাই তেওঁৰ কালজয়ী গীতসমূহে আমাক সদায় অনুপ্ৰাণিত কৰি ৰাখিব।

ড° ভূপেন হাজৰিকাদেৱে নিজকে বিশ্ব নাগৰিক বুলি পৰিচয় দি গাৰ্ব অনুভৱ কৰে। তেওঁ এই ক্ষেত্ৰত নিজে গীতৰ মাজেৰে কৈছে — মোৰ আইক ভাল পালে জানো, আনৰ আইক ঘিণ কৰাটো বুজাব? বিশ্ব নাগৰিক সেইজনহে, যিজনে বিশ্বৰ সকলোকে সমদৃষ্টিৰে চায়, সকলো মাতৃয়েই তেওঁৰ মাতৃ, সকলোৰে অধিকাৰ ৰক্ষাৰ সংগ্ৰাম তেওঁৰ সংগ্ৰাম। সেয়েহে মাৰ্কিন দেশ শ্ৰেষ্ঠ, মাৰ্কিন ভাষা-সংস্কৃতি শ্ৰেষ্ঠ, অইন সকলো তুচ্ছ আৰু ঘৃণাৰ তুল্য বুলি ভবা লোকসকল কেতিয়াও বিশ্ব নাগৰিক হ'ব্বই নোৱাৰে।

ড° ভূপেন হাজৰিকা প্ৰকৃতাৰ্থত অসমৰ সমাজ সংস্কৃতিৰ বিশাল জগ্গতখনৰ এজন অঘোষিত সম্ৰাট। তেওঁ প্ৰকৃত অৰ্থত জনগণৰ শিল্পী। তেওঁৰ এটা বিৰাট গণ আবেদন আছে যিটো ভাৰতৰ খুব কম সংখ্যক শিল্পীৰহে আছে। তেওঁ গীতৰ কথাৰ মাজেৰে অসমৰ মানুহৰ চিন্তা-ভাবনা, আশা-আকাংক্ষা প্ৰতিফলিত কৰে। অসমৰ ৰাইজৰ ন্যায্য দাবীৰ প্ৰতিটো সংগ্ৰামত হাজৰিকাদেৱ শিল্পী হিচাপে লগত আছে। ১৯৬২ চনত চীন-ভাৰত যুদ্ধৰ সময়ত চীনা সৈন্যৰ বৰ্বৰতা দেখি তেওঁ এটি কালজয়ী গীত ৰচনা কৰে। এই গীতটোৰ জৰিয়তে ভূপেনদাই সকলোৰে হৃদয়ত মৃত জোৱান সকলোৰে শোক সন্তপ্ত পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰাৰ লগতে কিবা এক কৰুণ কঁপনি তুলিছিল। গীতটোৰ প্ৰথম কলিটো —

কত জোৱানৰ মৃত্যু হ'ল
কাৰ জীৱন যৌৱন গ'ল
সেই মৃত্যু অপৰাজেয়
তেনে মৃতক নহ'লো মই কিয়?

মানুহৰ ভৌগোলিক পৰিচয়েই শেষ কথা নহয়। মানুহৰ সাংস্কৃতিক পৰিচয়ে প্ৰায়েই ভূগোলৰ সীমাৰেখা নামানে। ভূপেন হাজৰিকাৰ গীতৰ সীমাই সমগ্ৰ বিশ্বৰ মানচিত্ৰকে আৱৰি ৰাখিছে। তেওঁৰ গীতত কি নাই? কামৰূপৰ দেহ বিচাৰ, টোকাৰী গীতৰ পৰা বংগৰ ভাটিয়ালীলৈ, খাচীয়াৰ লোক-সংগীতৰ পৰা মিচিঙৰ ঐনিতম, বড়োৰ চিফুঙৰ পৰা গোৱালপাৰাৰ লোকগীতলৈ, পলৰবছনৰ, অল্ড মেন এণ্ড ৰিভাৰৰ হিন্দুস্থানী ৰাগলৈ তেওঁৰ কি অনায়াস বিচৰণ! ভূপেন হাজৰিকাৰ গীতৰ মাজেৰে অসমীয়াই আয়ত্ব কৰিছে বিশ্ব সংস্কৃতিৰ বিশাল এক উত্তৰাধীকাৰীত্ব।

লিয়েন মাকাওঁ, বিস্তীৰ্ণ পাৰৰে ..., ইত্যাদি গীত শুনিলে সকলোৰে ক'ব সেয়া অসমীয়াৰে হৃদয়ৰ সুৰ। ড° ভূপেন হাজৰিকাই ১৯৬৩ চনৰ নাজিৰা সাহিত্য সভাৰ সাংস্কৃতিক সন্মিলনীৰ সভাপতিৰূপে যি ভাষণ প্ৰস্তুত কৰিছিল সেয়া আছিল মহা মূল্যবান। ১৯৯৩ চনৰ সাহিত্য সভাৰ শিৱসাগৰ অধিবেশনৰ সভাপতিৰ অভিষানত তেওঁ এইদৰে কৈছিল — 'পণ্ডিতৰ নিদৰ্শন থকা ভাষণ দিয়াৰ অভ্যাস আমাৰ নাই। হৃদয়ৰ পৰা গীত ৰচি, অন্তৰৰ সুৰেৰে তিয়াই কণ্ঠক বাহন ৰূপে লৈ মানৱতাবাদী শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰাৰ প্ৰচেষ্টাতে আজীৱন কটোৱা সাংস্কৃতিক বনুৱা বা ৰণুৱাহে মই। অসম সাহিত্য সভা কেৱল অসমীয়া সাহিত্য সভা নহৈ ই অসমৰ সাহিত্য সভা হ'ব লাগে। যৌথ হওঁক ইয়াৰ পৰিকল্পনা, অস্ত্ৰ হওঁক মানৱতাবাদ, লক্ষ্য হওঁক শান্তি আৰু সামুহিক কল্যাণৰ বাবে উদাৰ দৃষ্টিভংগী হওঁক মননশীল সাহিত্য সভা।

ড° ভূপেন হাজৰিকাৰ কণ্ঠস্বৰত এক চুম্বকীয় আকৰ্ষণ আছে যি তাৎক্ষনিকভাৱে শ্ৰোতাৰ লগত সংযোগ স্থাপন কৰিব পাৰে। তেওঁৰ শোকৰ যি প্ৰয়োগ, সুৰৰ যি মুৰ্চ্ছনা, বিশেষকৈ তেওঁৰ প্ৰকাশভংগী, গীত গাই থাকোতে বিভিন্ন ধৰণৰ কথা কৈ দৰ্শকক মোহিত কৰাৰ যি শৈলী — এই ধৰণৰ শিল্পী সুলভ গুণবিলাক হয়তো আৰু আমি বেলেগ শিল্পীৰ মাজত বিচাৰি নাপাওঁ। গীত গাই দিগন্ত কপোঁৱা যাযাবৰী শিল্পী ড° ভূপেন হাজৰিকা ২০১১ চনৰ ৫ নৱেম্বৰত এই পৃথিৱীৰ পৰা চিৰ বিদায় লয়। চিৰ যুগমীয়া টৌ তুলি তেওঁ আমাৰ মাজৰ পৰা গুচি গলেও আমি তেওঁক জীয়াই ৰাখিব লাগিব তেঁওৰ গীতৰ মাজেৰে, তেওঁৰ সৃষ্টিৰ মাজেৰে। হে যুগজয়ী শিল্পী তোমাক যাচিছোঁ শতকোটি শ্ৰদ্ধাঞ্জলি......।